## শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ দীক্ষান্ত সমাৰোহত মুখ্যমন্ত্ৰী সোণোৱাল




# জগত সভাত প্ৰচাৰ কৰিব লাগিব গুৰুজনাৰ কৃতী

ষ্টাফ ৰিপৰ্টাৰ, ২ ফেব্ৰুৱাৰী ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ চতুৰ্থ দীক্ষান্ত সমাৰোহ আজি অনুষ্ঠিত হয়। গুৱাহাটীৰ ৰূপনগৰস্থিত বিশ্ববিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এই দীক্ষান্ত সমাৰোহত ১৩গৰাকী শিক্ষাৰ্থীক পি. এইচ. ডি., ২৩গৰাকী শিক্ষাৰ্থীক এম. ফিল. আৰু ৩৫৭গৰাকী শিক্ষাৰ্থীক ১০ পৃষ্ঠাত

**১৩ গৰাকীক পিএইচডি**
**২৩ গৰাকীক এমফিল**
**৩৫৭ গৰাকীক স্নাতকোত্তৰ ডিগ্ৰী প্ৰদান**

অসমীয়া বাৰ্তা, বুধবাৰ; ৩ ফেব্ৰুৱাৰী; ২০২১, ৩ পৃষ্ঠা

## জগত সভাত প্ৰচাৰ কৰিব লাগিব গুৰুজনাৰ কৃতী

স্নাতকোত্তৰ ডিগ্ৰী প্ৰদান কৰা হয়। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই বিশ্ববিদ্যালয়খনত অধ্যয়নৰত শিক্ষাৰ্থীসকলক গুৰুজনাৰ কৃতি জগত সভাত প্ৰচাৰ আৰু প্ৰসাৰ কৰিবলৈ আহ্বান জনায়। এই প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, 'এটা সামাজিক অনুষ্ঠানৰ বুকুৰ পৰা এক সুকীয়া পৰিচয় লৈ আত্মপ্ৰকাশ কৰা বিশ্ববিদ্যালয়খনে ৰাজ্যখনৰেই নহয়, দেশৰ শিক্ষা জগতত এক উজ্জ্বল জ্যোতিষ্ক হিচাপে পৰিগণিত হ'বলৈ হ'লে অধ্যাপক, শিক্ষাৰ্থীসকলে সমৰ্পিত মনোভাৱেৰে নিজ নিজ দায়িত্ব পালনৰ বাবে আগবাঢ়ি আহিব লাগিব। খ্ৰীষ্টিয় পঞ্চদশ শতিকাতে বিজ্ঞানসন্মত দৃষ্টিভংগীৰে এখন আধুনিক সমাজ সুশৃংখল ৰূপত গঢ় দিয়াৰ বাবে গুৰুজনাই যি প্ৰয়াস চলাই গৈছে, সেয়া আমি মৰ্মে মৰ্মে হৃদয়ংগম কৰিব লাগিব।' মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সেই সময়ত অস্থিৰ আৰু বহুধাবিভক্ত সমাজখনক সু-সংগঠিত কৰি সুস্থিৰতা আৰু সংস্কাৰৰ মাধ্যমেৰে এখন শক্তিশালী সমাজ নিৰ্মাণৰ ভেটি ৰচিছিল বুলি মন্তব্য কৰি সোণোৱালে কয় যে নামঘৰসমূহ প্ৰতিষ্ঠাৰ জৰিয়তে তেওঁ সুনাগৰিক গঢ়াৰ প্ৰচেষ্টাত ব্ৰতী হৈছিল। কিন্তু গুৰুজনাৰ এই দৰ্শনৰ বিশ্বৰ মানৱ সমাজে উমান পাবলৈ এতিয়াও সক্ষম হোৱা নাই। সেয়েহে গুৰুজনাৰ নামত প্ৰতিষ্ঠিত এই বিশ্ববিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে গুৰুজনাৰ বিশাল ব্যক্তিত্বক জগত সভালৈ লৈ যাব লাগিব। ভাষণ প্ৰসংগতে তেওঁ বিশ্ববিদ্যালয়খনত গুৰুজনাৰ জীৱন আৰু দৰ্শনৰ সামগ্ৰিক অধ্যয়ন আৰু বিশ্লেষণৰ বাবে এক বিশেষ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰিবলৈ আহ্বান জনায়। গুৰুজনাই দেখুৱাই যোৱা আদৰ্শৰে আগবাঢ়ি ৰাজ্য চৰকাৰে প্ৰদূষণমুক্ত অসম গঢ়াৰ লক্ষ্য বান্ধি লৈছে বুলি উল্লেখ কৰি সোণোৱালে কয়, 'গুৰুজনাই কৈ গৈছিল যে এক বৃক্ষ দশ পুত্ৰৰ সমান। গুৰুজনাৰ এই নীতি শিৰোগত কৰি আমি প্ৰদূষণমুক্ত অসম গঢ়িবলৈ বৃক্ষৰোপণৰ কাৰ্যসূচী হাতত লৈছোঁ। বৰ্তমানলৈ আমাৰ চৰকাৰৰ দিনত ৮ কোটি ৫০ লাখ জোপা গছ ৰোপণ কৰা হৈছে। ইতিমধ্যে ৰাষ্ট্ৰীয় সমীক্ষাত ৰাজ্যত বনাঞ্চল বৃদ্ধি হোৱা বুলিও প্ৰকাশ কৰা হৈছে।' আগন্তুক সময়ত বিশ্ববিদ্যালয়খন আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত চৰকাৰে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি তেওঁ আশ্বাস প্ৰদান কৰে। ইফালে, দীক্ষান্ত সমাৰোহত ভাষণ প্ৰদান কৰি বিশ্ববিদ্যালয়খনৰ আচাৰ্য কমলাকান্ত গগৈয়ে কয় যে স্বাস্থ্য ৰক্ষাৰ পৰা প্ৰকৃতি সংৰক্ষণলৈকে, ব্যক্তিৰ পৰা বিশ্ব কল্যাণলৈকে, যিমানবোৰ চিন্তা গুৰুজনাই দি থৈ গৈছে সকলোতে আধুনিক আৰু বৈজ্ঞানিক দৃষ্টিভংগী পৰিব্যাপ্ত হৈ আছে। এই দৃষ্টিভংগীৰ নৱমূল্যায়নেৰে এটা নৱজাগৰণ আৰম্ভ কৰিব লাগিব। বিদ্যায়তনিক আৰু বৌদ্ধিকভাৱে এই জাগৰণক আগবঢ়াই নিব পাৰিলেহে আমাৰ লক্ষ্য পূৰণ হ'ব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ আঁৰত এনে এক মহৎ উদ্দেশ্য অন্তৰ্নিহিত হৈ আছে বুলি উল্লেখ কৰি তেওঁ এইবুলিও কয়, 'শিক্ষা ব্যৱস্থাৰ কিছু সংস্কাৰ সাধন কৰি শ্ৰীমন্ত শংকৰদেৱে দি যোৱা মূল্যবোধৰ শিক্ষাৰে প্ৰজন্মক শিক্ষিত কৰি এখন নব্য সমাজ ৰচনাৰ যাত্ৰাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ে যাত্ৰা অব্যাহত ৰাখিছে। দেশৰ শৈক্ষিক ক্ষেত্ৰখনক নেতৃত্ব দিব পৰাকৈ বিশ্ববিদ্যালয়খনক সমৰ্থবান কৰি তুলিবলৈ আমি প্ৰতিজ্ঞাবদ্ধ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদানৰাজিৰ চৰ্চা আৰু গৱেষণা বিশ্বব্যাপী কৰি তোলাৰ বাবেও বিশ্ববিদ্যালয়খনে অভিনৱ পৰিকল্পনা প্ৰস্তুত কৰি ইতিমধ্যে কাৰ্যত অগ্ৰসৰ হৈছে।' দীক্ষান্ত সমাৰোহখনত ভাষণ প্ৰদান কৰি বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° হিতেশ ডেকাই কয় যে সম্প্ৰতি বিশ্ববিদ্যালয়খনত ১২টা বিভাগৰ অধীনত বিভিন্ন পাঠ্যক্ৰমত মুঠ ৭০২গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি থকাৰ লগতে ৬০গৰাকী শিক্ষকে নিষ্ঠাৰে সেৱা আগবঢ়াই আছে। এই শিক্ষাবৰ্ষত ৮২জন গৱেষক ছাত্ৰই বিভিন্ন বিভাগত নামভৰ্তি কৰিছে। বিশ্ববিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰি তেওঁ কয় যে বিশ্ববিদ্যালয়খনৰ স্থায়ী চৌহদ নিৰ্মাণৰ বাবে চৰকাৰে ৩০০ বিঘা ভূমি আৱণ্টন দিয়াৰ লগতে ১০ কোটি টকাৰ এটা কৰ্পাছ পুঁজি প্ৰদান কৰিছে। ইয়াৰে প্ৰথম কিস্তিৰ ৩ কোটি টকা শীঘ্ৰে মোকলাই দিব বুলিও চৰকাৰে আশ্বাস দিছে। ভাষণ প্ৰসংগতে ড° ডেকাই কয়, 'আগন্তুক শিক্ষাবৰ্ষৰ পৰা বিশ্ববিদ্যালয়খনত বাণিজ্য, ভূগোল, সাংবাদিকতা আৰু গণসংযোগ বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম মুকলি কৰা হ'ব। তদুপৰি উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক, প্ৰাকৃতিক আৰু আৰ্থ-সামাজিক পৰিঘটনাসমূহৰ এক সঠিক-শৈক্ষিক মূল্যায়নৰ বাবে এই বৰ্ষৰ পৰা উত্তৰ-পূব গৱেষণা কেন্দ্ৰ এটাও মুকলি কৰা হৈছে। এই কেন্দ্ৰৰ অধীনত উত্তৰ-পূৰ্বাঞ্চলৰ বৈচিত্ৰ্যময় সম্ভাৱৰ অনাবিষ্কৃত দিশসমূহৰ গৱেষণা কৰা হ'ব। উত্তৰ-পূবৰ বাবেৰহণীয়া কলা-সংস্কৃতি আৰু সাহিত্যৰাজিক ইলেক্ট্ৰনিক মাধ্যমত সংৰক্ষণৰ প্ৰয়াসেৰে বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা এটা ডিজিটেল আৰ্কাইভৰ কাম হাতত লোৱা হৈছে। তদুপৰি শৈক্ষিক আৰু গৱেষণাৰ লগত জড়িত কেইবাটাও অনুষ্ঠানৰ সৈতে বিশ্ববিদ্যালয়খনে বুজাপৰাৰ চুক্তি সম্পন্ন কৰিছে। ইয়াৰ জৰিয়তে গৱেষণাৰ কৰ্মসমূহ অধিক ফলপ্ৰসূ হ'ব বুলি আমি আশাবাদী।' বিশ্ববিদ্যালয় অনুদান আয়োগৰ সদস্য কিৰণ হাজৰিকাই এই অনুষ্ঠানত উপস্থিত থাকি কয় যে গুৰুজনাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ এনে এখন বিশ্ববিদ্যালয় বহু পূৰ্বেই প্ৰতিষ্ঠা হ'ব লাগিছিল আৰু ইয়াৰ বাবে চৰকাৰীভাৱে প্ৰচেষ্টা চলাব লাগিছিল। কিন্তু সেয়া হৈ নুঠিল। তৎসত্ত্বেও শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভক্ত আৰু পদাধিকাৰসকলে গুৰুজনাক বিশ্ববিদ্যালয় স্থাপনেৰে যি স্থান দিলে, তাৰ জৰিয়তে মহাপুৰুষগৰাকীৰ কৰ্মৰাজি পূৰ্ণ মূল্যায়ন হৈছে। ইফালে, ভাষণ প্ৰসংগতে তেওঁ এই বিশ্ববিদ্যালয়খনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক লাভ কৰা ডিগ্ৰীক লৈ সন্দিহান নহ'বলৈ আহ্বান জনায়। ইতিমধ্যে বিশ্ববিদ্যালয় অনুদান আয়োগে শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ক ২ (এফ) প্ৰদান কৰিছে বুলি উল্লেখ কৰি হাজৰিকাই কয় যে ইয়াৰ ফলত দেশৰ যিকোনো স্থানতে বিশ্ববিদ্যালয়খনৰ ডিগ্ৰী গ্ৰহণযোগ্য হ'ব। আজিৰ দীক্ষান্ত সামাৰোহত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড° মৃণাল কুমাৰ বৰা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকা, সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাৰ লগতে বিশ্ববিদ্যালয় ন্যাসৰ সভাপতি-সম্পাদক আৰু সদস্যসকল উপস্থিত থাকে।

২০ পৃষ্ঠা, অসমীয়া বাৰ্তা